Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

নৱম শ্ৰেণীৰ বাবে

প্ৰথম ভাগ

অসমীয়া সাহিত্য চয়নিকা (নতুন)

(বাধ্যতামূলক)

পাঠ - ৪

প্ৰচণ্ড ধুমুহাই প্ৰশ্ন কৰিলে মোক

প্ৰণীতা শৰ্মা বৰদলৈ



এটা খড়্গ থকা গঁড় অসমৰ সম্পদ,
এই গঁড় বধ কৰাজন অসমৰ বৈৰী।

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো



কবি-পৰিচয়

সুধাকণ্ঠ ডঃ ভূপেন হাজৰিকা

জন্ম শদিয়াত, ১৯২৬ চনৰ ৮ ছেপ্টেম্বৰত। গুৱাহাটী আৰু তেজপুৰত স্কুলীয়া শিক্ষা লাভ কৰে। গুৱাহাটীৰ কটন কলেজৰ পৰা আই. এ. পৰীক্ষাত উত্তীর্ণ হৈ বাৰাণসী হিন্দু বিশ্ববিদ্যালয়ৰ পৰা স্নাতক আৰু স্নাতকোত্তৰ উপাধি লাভ কৰে। পৰৱর্তী সময়ত কলম্বিয়া বিশ্ববিদ্যালয়ৰ পৰাও শিক্ষা বিষয়ত স্নাতকোত্তৰ ডিগ্রী লাভ কৰাৰ

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো



লগতে উক্ত বিশ্ববিদ্যালয়ৰ পৰাই পি. এইচ. ডি. উপাধি লাভ কৰে। বি. বৰুৱা মহাবিদ্যালয় আৰু গুৱাহাটী বিশ্ববিদ্যালয়ত অধ্যাপনাৰ লগতে আকাশবাণী গুৱাহাটী কেন্দ্ৰতো কার্যনির্বাহ কৰিছিল। অসাধাৰণ প্রতিভাৰ অধিকাৰী এইজনা ব্যক্তিয়ে ঘাইকৈ কণ্ঠশিল্পী, গীতিকাৰ, চলচ্চিত্র পৰিচালক হিচাপে কেৱল অসম বা ভাৰততে নহয়, বিশ্বৰ বিভিন্ন স্থানত সমাদৰ পাবলৈ সক্ষম হৈছে।

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

১৯৫৬ চনত 'এৰাবাটৰ সুৰ' চলচ্চিত্ৰৰ যোগেদি চলচ্চিত্ৰ-পৰিচালক হিচাপে আত্মপ্ৰকাশ কৰিছিল আৰু আঠখন অসমীয়া, এখন বাংলা আৰু এখন হিন্দী চলচ্চিত্ৰ পৰিচালনা কৰিছিল। ইয়াৰে কেইখনমান হ'ল 'শকুন্তলা' (১৯৬১), 'প্ৰতিধ্বনি' (১৯৬৪), 'লটিঘটি' (১৯৬৬), 'চিকমিক বিজুলী' (১৯৬৯), 'চিৰাজ' (১৯৮৮) আদি। অসমীয়া চলচ্চিত্ৰৰ লগতে বাংলা, হিন্দী, ভোজপুৰী, কাৰ্বি, বড়ো, মালায়ালম ভাষাৰ শতাধিক ছবিৰ সংগীত পৰিচালনা কৰিছিল।

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

পৰিচালনা কৰা তথ্যচিত্ৰৰ সংখ্যা নখন। কেইবাখনো চলচ্চিত্ৰত অভিনয় কৰিছিল। সম্পাদিত আলোচনী: 'আমাৰ প্ৰতিনিধি', 'বিন্দু', 'প্ৰতিধ্বনি' আদি। ৰচিত গ্ৰন্থ পঞ্চাশখনতকৈও অধিক। ডঃ হাজৰিকাই দেশে-বিদেশে অৰ্ধশতাধিক বঁটা-সন্মান লাভ কৰিছিল।

ইয়াৰ ভিতৰত ৰাষ্ট্ৰপতিৰ ৰূপৰ পদক, শ্ৰেষ্ঠ সংগীত-পৰিচালনাৰ ৰাষ্ট্ৰীয় বঁটা, দাদা চাহেব ফাল্কে বঁটা, পদ্মভূষণ, অসম সাহিত্য সভাৰ সাহিত্যাচাৰ্য সন্মান আদি বিশেষভাবে উল্লেখযোগ্য।

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোরে পঢ়ো সকলোরে আগবাঢ়ো

১৯২৬,৮ ছেপ্তেম্বৰ-জন্ম

মৃত্যু

২০১১ চনৰ ৫ নবেম্বৰত মুম্বাইৰ কোকিলাবেন ধীৰুভাই আম্বানি হাস্পাতালত দেহাৱসান ঘটে। আধুনিক অসমীয়া তথা ভাৰতীয় গীতি-কবিতাৰ ইতিহাসত ডঁ হাজৰিকাৰ গীতি-কবিতাসমূহে এক বিশেষ স্থান লাভ কৰিছে। মানুহৰ হৃদয়ৰ বিচিত্র ভাবানুভূতিৰ লগতে প্রকৃতি আৰু মানৱ সমাজ- সংস্কৃতিক তেওঁ সংগীতৰ মূর্চ্ছনাৰে বাণ্মিয় কৰি তুলি অত্যন্ত হৃদয়স্পর্শী আবেদনৰ সৃষ্টি কৰিবলৈ সক্ষম হৈছে।

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোরে পঢ়ো সকলোরে আগবাঢ়ো

প্ৰশ্নৰ উত্তৰ লিখা

খ্ৰীষ্টীয় ১৯৬৩ চনত ৰচিত এই গীতি কবিতাটিৰ জৰিয়তে গীতিকাৰে প্ৰকৃতি জগতৰ নানা উপাদানৰ পৰা নানা গুণ আহৰণ কৰি মহৎ মানৱীয় অনুভূতিৰ জয়গান গাব বিচাৰিছে।

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

প্ৰচণ্ড ধুমুহাই প্ৰশ্ন কৰিলে



প্ৰচণ্ড ধুমুহাই প্ৰশ্ন কৰিলে মোক
তোমাৰ প্ৰাপ্য কি কোৱা?
মনৰ দুৱাৰ মেলি নিৰ্ভীকভাৱে ক'লোঁ।
তোমাৰ শক্তিখিনি দিয়া।
বজ্ৰৰ গৰ্জনে বক্ষ উজাৰি ক'লে,
তোমাৰ কাম্য কি কোৱা?

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো



মই ক'লোঁ, বজ্ৰ তোমাৰ
শক্তিশালী উদাত্ত কণ্ঠটি দিয়া।
এদিন আকাশে ক'লে, জনৈক গীতিকাৰে
'অকণি আকাশ' দেখোঁ মাগে
তুমি কিয় আজি বাৰু কম্পিত কণ্ঠেৰে
মাগিছা সৰ্বাকাশ সত্তা?

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

মই ক'লোঁ, তুমিয়েতো কৈছিলা ৰাতিপুৱা
যিমানে বিলাই দিবা, সিমানে মহান হ'বা
তাৰে নাম সঁচা উদাৰতা।
সেয়েহে আকাশ তুমি দিব যদি খুজিছাই
সংকীৰ্ণতা এৰি দিয়া
অৱদান ৰূপে তোমাৰ পূৰ্ণ বিশালতা
দিয়া যদি আজিয়েই দিয়া।

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো



মহাকাশে দিলে মোক বিশাল দৃষ্টি
আৰু ধুমুহাই প্ৰচণ্ড শক্তি
বজ্ৰই দিলে মোক উদাত্ত কণ্ঠ
আৰু দিলে সাহসৰ যুক্তি।

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো



বজ্ৰৰ কণ্ঠেৰে ধুমুহাৰ শক্তিৰে
গীত গাই কঁপাম দিগন্ত
দানৱৰ সমাজতো গাম মানৱৰ গীত
কলিজাৰ সঁচা-সুৰ সিক্ত।

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো



Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

শব্দাৰ্থ আৰু টোকা

উদাত্ত কণ্ঠ : গুৰু-গম্ভীৰ মাত।
কাম্য : কামনা কৰা, বিচৰা।
জনৈক : অনির্দিষ্ট কোনো এজন।
সত্তা : অস্তিত্ব; উপস্থিতি; বিদ্যমানতা।
সিক্ত : তিতা; আৰ্দ্ৰ; ভিজা।
মুমূৰ্ষু : মৃতপ্ৰায়।
প্ৰণিপাত : সেৱা।

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো



মনৰ দুৱাৰ মেলি : অন্তঃকৰণেৰে; মুক্তভাৱে; অন্তৰত কোনো খোকোজা নৰখাকৈ।

বজ্ৰৰ গৰ্জনে বক্ষ উজাৰি ক'লে : বজ্ৰই হৃদয় উদঙাই স্বাভাৱিক শব্দৰেই ক'লে।

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

পাঠবোধ

কবিতাটোত প্ৰবাহিত হৈ আছে মানৱতাৰ সুৰ। ধুমুহাৰ দৰে প্ৰচণ্ড শক্তি লাভ কৰি সমাজৰ উত্তৰণত সেই শক্তি প্ৰয়োগ কৰিবলৈ কবি আগ্ৰহী। বজ্ৰৰ দৰে নিৰ্ভীকতা আৰু উদাত্ত কণ্ঠেৰে মানৱতাৰ জয়গান গাবলৈ কবিয়ে যেন ইচ্ছা প্ৰকাশ কৰিছে। আকাশৰ বিশালতাই কবিক যেন সোঁৱৰাই দিছে- সংকীৰ্ণতাৰ পৰিধি ভঙা এক মানৱিক উদাৰতাৰ কথা। মুমূৰ্ষু মানৱক মানৱতাবোধেৰে পুনৰ সঞ্জীৱিত কৰাটোৱেই কবিতাটোৰ মুখ্য অভিপ্ৰায়।

Under CSR Support by
ipca | Foundation

মূল্যায়ন

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

১। কবিয়ে সংকীর্ণতা এৰি দি পূর্ণ বিশালতা দিবলৈ আহ্বান জনাইছে—

(ক). ধুমুহাক

(খ) আকাশক

(গ). বজ্রক

(গ). পৃথিৱীক

Under CSR Support by
ipca | Foundation

মূল্যায়ন

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

২। কবিৰ প্রাপ্য কি তাক সুধি প্রশ্ন কৰিছিল —

(ক). বতাহে

(খ). আকাশে

(গ). বজ্রই

(গ) প্রচণ্ড ধুমুহাই

Under CSR Support by
ipca | Foundation

মূল্যায়ন

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

৩। খালী ঠাই পূৰণ কৰা —

(ক) মুমূর্ষ মানৱৰ জীৱনৰ বিদ্যুৎ

কিঞ্চিতো যদি দিব পাৰোঁ

আকাশ, ধুমুহা আৰু ব্রজ্রক

তাৰ বাবে শতবাৰ প্রণিপাত কৰোঁ।

Under CSR Support by
ipca | Foundation

মূল্যায়ন

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

৪। শুদ্ধ উত্তৰটো লিখা —

(ক) ড০ ভূপেন হাজৰিকাই পি.এইচ.ডি উপাধি লাভ কৰে কটন বিশ্ববিদ্যালয়ৰ পৰা/কলম্বিয়া বিশ্ববিদ্যালয়ৰ পৰা।

(খ) কবিতাটিত প্রকাশিত হৈছে মানৱতাৰ সুৰ/অদ্বৈতবাদৰ সুৰ।